ND24
newsdaily24.in

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

RN-11989/65 । ৬১ বছৰ । ২৫৭ সংখ্যা, ১৩ ব'হাগ, সোমবাৰ, ১৯৪৮ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 257 । DIBRUGARH, MONDAY, APRIL 27, 2026 । পৃষ্ঠা ১২ (Pages 12) ৯.০০ টকা

### ইতিহাস সংকলক সমিতিৰ সভাপতি হিচাপে ডঃ শশীকান্ত শইকীয়াক পুনৰ দায়িত্ব

## ইতিহাস অধ্যয়নে এটা জাতিক শক্তিশালী কৰে ঃ হেমন্ত ধিং মজুমদাৰ

ডিব্ৰুগড়, ২৬ এপ্ৰিল ঃ ইতিহাস অধ্যয়নে এটা জাতিক শক্তিশালী কৰে। অতীত অধ্যয়ন অবিহনে কেতিয়াও ভৱিষ্যৎ সুন্দৰ নহয়। ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰে এইদৰে কয়। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষৰ সভাকক্ষত ২৪ এপ্ৰিলত অনুষ্ঠিত ডিব্ৰুগড় জিলা ইতিহাস সংকলন সমিতিৰ সাধাৰণ সভাত উপস্থিত থাকি ৰাষ্ট্ৰীয় মহাসচিবগৰাকীয়ে কয় যে ভাৰতীয় ইতিহাস সংকলন সমিতিয়ে ইতিহাস সঠিক তথ্যৰ ওপৰত লিপিবদ্ধ কৰাৰ প্ৰয়াস চলাই আহিছে। তেওঁ কয় যে আজিৰ সমাজ ব্যৱস্থা, ৰাজনীতি, ধৰ্ম, সংস্কৃতি হঠাতে গঢ়ি উঠা নাই। ইয়াৰ আঁৰত আছে হাজাৰ হাজাৰ বছৰৰ কৰ্ম বিৱৰ্তন। ইতিহাস অধ্যয়ন কৰিলেহে দেশ, জাতি আৰু ভাষা কেনেকৈ বৰ্তমান অৱস্থা পালেহি তাক জানিব পাৰি। তেওঁ কয়— 'মানুহে অতীতত বহুত ভুল কৰিছে সেই ভুলসমূহ যুদ্ধৰ ফলতে হওক বা ভুল নীতিয়ে হওক সেই ভুলবোৰ জনা আৰু ভৱিষ্যতে তেনে ভুল নকৰাৰ বাবে ইতিহাস অধ্যয়নে সহায় কৰে। ইতিহাস সংকলন সমিতিৰ ডিব্ৰুগড় জিলাৰ সভাপতি, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক, ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) অধ্যক্ষ কৰ্মসূৰ্য ডঃ শশীকান্ত শইকীয়াই কয় — ইতিহাসে এটা জাতিক নিজৰ শিপা বা মূলৰ স'তে পৰিচয় কৰাই দিয়ে। পূৰ্বপুৰুষসকলৰ বীৰত্বৰ কাহিনী, তেওঁলোকৰ ত্যাগ, সংগ্ৰাম, দেশপ্ৰেম আদি ইতিহাস অধ্যয়নৰ যোগেদি জানিব পাৰি। তেওঁ কয়— 'সাহিত্য, স্থাপত্য, বিজ্ঞান আৰু কলাৰ ইতিহাস পঢ়িলে পূৰ্বৰ মানুহৰ চিন্তা, বুদ্ধিমত্তা, দক্ষতা সম্পৰ্কে জানিব পাৰি আৰু তেনে জ্ঞানে নতুন উদ্ভাৱনৰ প্ৰেৰণা যোগায়। অধ্যক্ষ ডঃ শইকীয়াই কয় যে ইতিহাস অধ্যয়নে মানৱীয় দৃষ্টিভংগীৰে জীৱনটোক আগুৱাই নিয়াত সহায় কৰে আৰু ভিন্নতাৰ মাজত ঐক্যতা গঢ়ি তোলাত সহায় কৰে। ইতিহাস সংকলন সমিতিৰ গুৱাহাটীৰ সাংগঠনিক সম্পাদক মনোজ কুমাৰ বৰ্মনে কয়, 'ইতিহাস কেৱল অতীতৰ কাহিনী নহয়, ই হ'ল মানব সভ্যতাৰ বিকাশৰ এক দাপোণ।' ইতিহাস সংকলন সমিতিৰ গুৱাহাটীৰ জুৰি শৰ্মাই কয় যে ইতিহাস হ'ল মানৱ জাতিৰ অভিজ্ঞতাৰ ভাণ্ডাৰ। সাধাৰণ সভাত উপস্থিত থাকি ভাস্কৰ নাথে কয়—




ডিব্ৰুগড় জিলা সমিতিখনে পৰিকল্পনা কৰি আগুৱাই গ'লে সমগ্ৰ দেশতে পৰিচিত হৈ পৰিব। উল্লেখ্য যে ডঃ শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত অতিথিসকলক ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায়। উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপক ডঃ জ্যোতিপ্ৰসাদ ফুকনে। ইয়াৰ পাছতেই ডঃ শশীকান্ত শইকীয়াক সভাপতি কৰিশ্মা জে কে বৈষ্ণৱীক সম্পাদক, ডঃ জ্যোতিপ্ৰসাদ ফুকনক উপ-সভাপতি, পূজা ভট্টাচাৰ্যক সাংগঠনিক সম্পাদক, ভাস্বতী গগৈ, স্নিগ্ধা বৰুৱাক সহকাৰী সম্পাদক, সুবৰণ ভট্টাচাৰ্যক কোষাধ্যক্ষ, ডঃ ভাৰতী দত্তক লেখক প্ৰমুখ, মানসী শৰ্মাক পুৰাণ অন্তৰ্গত ইতিহাস প্ৰমুখ, হৰজিন্দৰ সিং আৰু অতনু কোঁৱৰক সামাজিক মাধ্যম প্ৰমুখ, চন্দন মজুমদাৰ, বিতুমণি ফুকনক বিদ্বৎ প্ৰমুখ, মিতালী বৰকাকতিক জ্যেষ্ঠ ইতিহাস প্ৰমুখ, জ্যোতিপ্ৰসাদ কানে আৰু অমৃত কেডিয়াক সংৰক্ষক প্ৰমুখ, ডঃ চয়নিকা গোস্বামীক মহিলা ইতিহাস প্ৰমুখ, দেৱজিৎ শইকীয়াক যুৱ ইতিহাস প্ৰমুখ হিচাপে লৈ দুবছৰীয়া অৰ্থাৎ ২০২৬-২৮ বৰ্ষৰ বাবে এখন শক্তিশালী ডিব্ৰুগড় জিলা সমিতি গঠন কৰা হয়। উল্লেখ্য যে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক দ্বিতীয়টো কাৰ্যকালৰ বাবে সভাই পুনৰবাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে।